# কানাডাত সংঘটিত আক্ৰমণৰ প্ৰধানমন্ত্ৰীৰ গৰিহনা

২৩ অক্তোৱৰ ২০১৪

“কুৱেবেক আৰু অটাৱাত কানাডাৰ সেনা বাহিনীৰ লোকক আক্ৰমণ আৰু অটাৱাত কানাডাৰ সংসদলৈ গুলিওৱা ঘটনাক মই কঠোৰ ভাৱে গৰিহনা দিছো ।এখন সংসদ গণতন্ত্ৰৰ এক মন্দিৰৰ নিচিনা আৰু যি সকলে গমতন্ত্ৰক বিশ্বাস কৰে তেওঁলোকৰ হৃদয়ত ই এক সুকিয়া স্থান লাভ কৰে । সংসদত সন্ত্ৰাসবাদৰ আক্ৰমণৰ বিভিষিকাৰ অভিজ্ঞতা গৰকা ৰাষ্ট্ৰ হিচাপে আমি গণতন্ত্ৰৰ সৰ্ব্বোচ্চ অনুষ্ঠানত আক্ৰমণ সংঘটিত হোৱাত কানাডাৰ জনসাধাৰনৰ মনত উৎপত্তি হোৱা থং আৰু আশংকাৰ অনুভুতিক গাঢ়ভাৱে উপলব্ধি কৰিব পাৰিছো ।মই ভাৰতৰ জনসাধাৰনৰ হৈ কানাডাৰ জনসাধাৰনলৈ তেওঁলোকৰ সেনাৰ প্ৰানৰ ক্ষতিৰ বাবে শোক প্ৰকাশ কৰিছো আৰু এই জটিল সময়ত তেওঁলোকৰ প্ৰতি আমাৰ সমবেদনা জ্ঞাপন কৰিলো ।কানাডা ভাৰতৰ শক্তিশালি অংশীদাৰিত্ব থকা দেশসমুহৰ এখন দেশ আৰু আমি দেশৰ জনসাধাৰনৰ ভৱিষ্যত সুৰক্ষাৰ বাবে সন্ত্ৰাসবাদ আৰু অন্যান্য অপৰাধ প্ৰতিহত কৰাৰ ক্ষেত্ৰত আগলৈও সহযোগিতা শক্তিশালি কৰি তুলিম”